## নৱম অধ্যায়

# ক্ষেত্ৰ অধ্যয়ন

### ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ পৰিধি ঃ

ক্ষেত্ৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীক প্ৰায়োগিক জ্ঞানৰ লগত পৰিচয় কৰাই। চাক্ষুষ অভিজ্ঞতাই তেওঁলোকক বিষয়বস্তুৰ গভীৰতৰলৈ যাবলৈ প্ৰেৰণা যোগায়। তেওঁলোকে ঐতিহাসিক ক্ষেত্ৰ অধ্যয়ন কৰি সমসাময়িক স্থাপত্য-ভাস্কৰ্য, কাৰিকৰী কৌশল সন্দৰ্ভত সম্যক তথ্য লাভ কৰিব পাৰে। উল্লেখযোগ্য যে, সম্প্ৰতি ঐতিহাসিক ক্ষেত্ৰ সংৰক্ষণ সংক্ৰান্তত যি সচেতনতা জাগি উঠিছে, সেই সচেতনতা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ যোগেদি পূৰ্ণ মাত্ৰাত সংৰোপিত কৰিব পৰা যাব। লগতে তেওঁলোক বহনক্ষম পৰ্যটনৰ প্ৰতিও আকৃষ্ট হ'ব।

স্থানীয় ঐতিহাসিক ক্ষেত্ৰ একোখন অধ্যয়নৰ দ্বাৰা তেওঁলোকে লাভ কৰা তথ্যৰ আধাৰত যি প্ৰতিবেদন প্ৰস্তুত হ'ব, তাত নিশ্চিতভাৱে শিক্ষাৰ্থীৰ নিজস্ব দৃষ্টিভংগী, অধ্যয়ন, কৌশল, অভিজ্ঞতা আৰু অন্যান্য আনুষংগিক দিশসমূহ প্ৰতীত হ'ব। আনহাতে, এই প্ৰতিবেদনৰ ওপৰত যি মৌখিক পৰীক্ষা অনুষ্ঠিত হ'ব তাত তেওঁলোকৰ কথনশৈলী আৰু ঐতিহাসিক ক্ষেত্ৰ একোখনৰ সংৰক্ষণৰ দিশত থাকিবলগীয়া মানসিকতা প্ৰকাশ পাব।

শিক্ষকসকলে ক্ষেত্ৰ অধ্যয়ন প্ৰসংগত বিশেষ গুৰুত্ব দিয়া উচিত।

### *জৰীপ প্ৰ-পত্ৰ*

- ভৌগোলিক জৰীপৰ বাবে প্ৰ-পত্ৰত জৰীপ কৰা অঞ্চলটোৰ অৱস্থিতি, জলবায়ু, বসতি, ৰাস্তা-ঘাট আদিৰ তথ্য বিচাৰি প্ৰশ্ন সন্নিৱিষ্ট কৰিব।
- ঐতিহাসিক জৰীপ হ'লে অঞ্চলটোৰ নামৰ উৎপত্তি আৰু বৈশিষ্ট্য, বসতি কেতিয়া কেনেদৰে আৰম্ভ হৈছিল, অঞ্চলটোত কি কি পৰিৱৰ্তন হৈছে এনে বিষয়ৰ ওপৰত প্ৰশ্নাৱলী প্ৰস্তুত কৰিব।

জৰীপ কৰিব খোজা অঞ্চলটোৰ সবিশেষ জনাৰ বাবে ভূগোল তথা বুৰঞ্জী উভয় বিষয়ৰে ছাত্ৰ-ছাত্ৰীৰ বাবে নিম্নোক্ত তথ্য জনাটো প্ৰয়োজন। সেয়েহে জৰীপ প্ৰ-পত্ৰৰ নমুনা নিম্নোক্ত ধৰণে উপস্থাপন কৰা হৈছে।

# জৰীপ প্ৰ-পত্ৰ

প্ৰ-পত্ৰ নং ঃ
জৰীপকৰ্তাৰ নাম ঃ
তাৰিখ ঃ
স্থান ঃ জিলা
গাঁও/নগৰ
থানা

১। নাম (মুৰব্বী) ঃ
২। পৰিয়ালৰ লোকসকলৰ তথ্য ঃ উপযুক্ত স্থানত (✓) ব্যৱহাৰ কৰিব

| ব্যক্তি নং | সম্পৰ্ক | বয়স | লিংগ | শিক্ষাগত অৰ্হতা | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | | | | নিৰক্ষৰ | প্ৰাথমিক পৰ্যায় | মাধ্যমিক পৰ্যায় | উচ্চ মাধ্যমিক পৰ্যায় | স্নাতক পৰ্যায় | স্নাতকোত্তৰ পৰ্যায় | অন্যান্য |
| ১ | | | পুং/স্ত্ৰী | | | | | | | |
| ২ | | | ” | | | | | | | |
| ৩ | | | ” | | | | | | | |
| ৪ | | | ” | | | | | | | |
| ৫ | | | ” | | | | | | | |
| ৬ | | | ” | | | | | | | |
| ৭ | | | ” | | | | | | | |
| ৮ | | | ” | | | | | | | |

৩। পৰিয়ালৰ লোকৰ জীৱিকা আৰু উপাৰ্জন ঃ

| ব্যক্তি নং | নিবনুৱা | দিন হাজিৰা | কৃষক | ব্যৱসায়ী | চৰকাৰী চাকৰিয়াল | বেচৰকাৰী চাকৰিয়াল | দৈনিক/মাহিলি/ বছৰেকীয়া আয় (টকাত) |
|---|---|---|---|---|---|---|---|
| ১ | | | | | | | |
| ২ | | | | | | | |
| ৩ | | | | | | | |
| ৪ | | | | | | | |
| ৫ | | | | | | | |
| ৬ | | | | | | | |
| ৭ | | | | | | | |
| ৮ | | | | | | | |

৪। বাসগৃহৰ তথ্য ঃ

| ঘৰৰ সংখ্যা | ভেটি | চালি | বেৰ |
|---|---|---|---|
| ১/২/৩/৪/৫ | কেঁচা/পকা | খেৰ/টিন/পকী | বাঁহ/চিমেণ্ট/ ইটা |

৫। ঘৰুৱা আচবাব ঃ

| মটৰ গাড়ী | স্কুটাৰ/বাইক | চাইকেল | টিভি | ৰিফ্রেজাৰেটৰ | ম'বাইল ফোন | ৰেডিঅ' |
|---|---|---|---|---|---|---|
| আছে/নাই | আছে/নাই | আছে/নাই | আছে/নাই | আছে/নাই | আছে/নাই | আছে/নাই |

৬। যদি খেতিয়ক, তেনেহ'লে কি কি খেতি কৰে (পৰিমাণ সহ) ঃ

৭। অত্যাৱশ্যকীয় সুবিধা ঃ

(ক) খোৱা পানীৰ উৎস ঃ— পাইপ/দমকল/কুঁৱা/পুখুৰী/নদী

(খ) ৰন্ধন শক্তি ঃ— খৰি/ৰন্ধন গেছ/বিদ্যুৎ

(গ) অনাময় ঃ— ঘৰত পাইখানা আছে/নাই, যদি আছে কেঁচা/ চেনিটেৰী

(ঘ) গা-ধোৱা ঘৰ ঃ— আছে/নাই।

৮। ঘৰুৱা জীৱ-জন্তুৰ বিৱৰণ ঃ

| প্ৰজাতি | গৰু | ম'হ | হাঁহ | কুকুৰা |
|---|---|---|---|---|
| সংখ্যা | | | | |

●●●

...... প্ৰয়োজনীয় টোকাৰ বাবে......

...... প্ৰয়োজনীয় টোকাৰ বাবে......